**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-04-2025 **Time :** 0755Hrs.

**<u>Assamese Morning Bulletin</u>**

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে। মন্ত্ৰীসভাই পহিলা ব'হাগৰ পৰা সকলো চৰকাৰী জাননী, নিৰ্দেশনা, অধিসূচনা আদি ইংৰাজী ভাষাৰ উপৰি অসমীয়া ভাষাত প্ৰকাশ কৰাত অনুমোদ দিছে। অৱশ্যে বৰাক উপত্যকাত বাংলা আৰু বিটিআৰত বড়ো ভাষাত অতিৰিক্তভাৱে প্ৰকাশ কৰা হ'ব।

সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। জিলা আৰু সমজিলা পৰ্যায়ত এই সমিতিসমূহ গঠন কৰা হ'ব। সেই অনুসৰি মথাউৰিৰ ৮ৰ পৰা ১০ কিলোমিটাৰৰ ব্যৱধানত ১০ৰ পৰা ১৫ গৰাকী যুৱকক লৈ নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠন কৰা হ'ব। এই সমিতিসমূহে এপ্ৰিলৰ পৰা অক্টোবৰলৈ মথাউৰিসমূহ নিৰীক্ষণ কৰিব।

বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা মহাপ্ৰভু জগন্নাথ সামুহিক ভৱন তথা দক্ষতা কেন্দ্ৰৰ তত্বাৱধান আৰু সঠিক কাৰ্যকলাপ সুনিশ্চিত কৰণৰ বাবে এখন ব্যৱস্থাপনা সমিতি গঠন কৰা হ'ব।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিল কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল নিৰ্বাচনী কাম-কাজত ব্যস্ত থকাৰ উপৰি ২০ মে' পৰ্যন্ত নিৰ্বাচনী প্ৰক্ৰিয়া চলিবলগীয়া বিষয়টো বিবেচনা কৰি বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেষণা অনুসৰি প্ৰথমবৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কোনো শিক্ষানুষ্ঠান বা শিক্ষাৰ্থীয়ে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ দক্ষতা পৰীক্ষা কৰিব বিচাৰিলে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। অৱশ্যে প্ৰশ্ন কাকতৰ টোপোলা খোলাৰ বাবে যিসমূহ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে তদন্ত চলি আছে, তেনে শিক্ষানুষ্ঠানে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা দক্ষতা পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত আনিব নোৱাৰিব। পৰিষদে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ একাদশ শ্ৰেণীৰ মাৰ্কশ্বিটসমূহ বিদ্যালয় শিক্ষা পৰিষদৰ সংমগুল দুইৰ ৱেবছাইটৰ পৰা

ডাউনলোড কৰিবলৈ শিক্ষানুষ্ঠানসমূহক কৰ্তৃত্ব প্ৰদান কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা বা হৈ যোৱা প্ৰথমবৰ্ষৰ পৰীক্ষাকেইটাত লাভ কৰা গড় নম্বৰৰ ভিত্তিত বাকী থকা বিষয়কেইটাত ছাত্ৰ-ছাত্ৰীসকল নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত নম্বৰ প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্দেশ জাৰি কৰিছে।

0000000

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন অহা ৯ এপ্ৰিলত যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হ'ব। এই সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং আৰু প্ৰকৃতিপ্ৰেমী গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণি প্ৰেক্ষাগৃহত হ'বলগীয়া কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে পি এইচ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব।

0000000

বিশিষ্ট গৱেষক তথা শ্ৰীলংকাস্থিত আই চি চি আৰৰ অধীনস্থ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্তৰ উদ্যোগত সিংহলী ভাষালৈ ভাঙণি কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত দুটি বৰগীতৰ এলবামটি কালি কলম্বোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰত্যক্ষ কৰে। শ্ৰী মোদীয়ে এই প্ৰয়াসৰ প্ৰশংসা কৰে।

00000

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভাৰ আয়োজন কৰা হৈছে। অধিৱেশনৰ কালি প্ৰথম দিনা সংগঠনৰ পতাকা উত্তোলন, মূল তোৰণ উন্মোচন, মুকলি সভা আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সভাপতি পলাশ চাংমায়ে সংগঠনৰ পতাকা উত্তোলন কৰি অসমত পূৰ্ণ স্বায়ত্ত শাসন আৰু দ্বি-নাগৰিকত্ব ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। এই অধিৱেশনৰ বাবে ১৫ খন উপ সমিতিয়ে ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা অহা ৫ হাজাৰ প্ৰতিনিধিক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছে।

0000000

**সমাপ্ত**